জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৩৭৫/২০২১

# নাৰেঙ্গীৰ পৰা ভকতগাঁৱলৈ ৫০.৮৬ কিলোমিটাৰ দৈৰ্ঘ্যৰ পথৰ অংশ হোমেন বৰগোহাঞি পথৰূপে নামকৰণ

## পথছোৱা উদ্বোধন কৰি জসাধাৰণলৈ উৎসৰ্গিত কৰিলে মুখ্যমন্ত্ৰীয়ে

## জাতীয় জীৱনৰ মহীৰূহ আছিল হোমেন বৰগোহাঞি ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ০৬ ডিচেম্বৰ ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি ৰাজ্যিক ঘাইপথ নং - ৩ ৰ নাৰেঙ্গীৰ পৰা ভকতগাঁৱলৈ ৫০.৮৬ কিলোমিটাৰ অংশ হোমেন বৰগোহাঞি পথ নামেৰে নামকৰণ কৰি জনসাধাৰণলৈ উৎসৰ্গিত কৰে।

এই উপলক্ষে বীৰকুছিত লোকনিৰ্মাণ (পথ) বিভাগৰ দ্বাৰা আয়োজিত এক অনুষ্ঠানত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰীয়ে কয় যে জ্ঞান আৰু প্ৰজ্ঞাৰ সাধক, সমাজ দ্ৰষ্টা, সাহিত্য আৰু সংবাদ সেৱাৰ পুৰোধা ব্যক্তি হোমেন বৰগোহাঞিৰ ওপজা দিনৰ প্ৰাক্‌ক্ষণত বিশ্ববেংক আৰু ৰাজ্য চৰকাৰৰ পুঁজিৰে নিৰ্মাণ কৰি উলিওৱা এই পথছোৱাই অঞ্চলটোৰ যোগাযোগৰ ক্ষেত্ৰত এক নতুন মাত্ৰা সংযোজন কৰিব। ৰাজ্য চৰকাৰে ক্ৰীড়া, শিল্পী আৰু সাহিত্য পেঞ্চন তিনিটা বিশেষ দিনত প্ৰদানৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰিছিল বুলি উল্লেখ কৰি তেওঁ কয় যে অৰ্জুন ভোগেশ্বৰ বৰুৱাৰ জন্মদিনত ক্ৰীড়া পেঞ্চন, জ্যোতিপ্ৰসাদ আগৰৱালাৰ মৃত্যু দিৱস অৰ্থাৎ শিল্পী দিৱসৰ দিনা শিল্পী পেঞ্চন আৰু হোমেন বৰগোহাঞিৰ জন্মদিনত সাহিত্য পেঞ্চন প্ৰদানৰ বাবে পদক্ষেপ লৈছে। ৭ ডিচেম্বৰত হোমেন বৰগোহাঞিৰ জন্মদিনত সাহিত্য পেঞ্চন প্ৰদানেৰে এক নতুন পৰম্পৰা আৰম্ভ কৰা হ'ব বুলিও তেওঁ কয়। মুখ্যমন্ত্ৰীয়ে কয় যে হোমেন বৰগোহাঞি কোনো ইতিহাসৰ ব্যক্তি নহয়, তেওঁৰ লেখনি, গুণ, কৰ্মৰ সৈতে আমাৰ এই প্ৰজন্ম খুৱেই পৰিচিত।

হোমেন বৰগোহাঞি জাতীয় জীৱনৰ মহীৰূহ আছিল বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে এইগৰাকী সাহিত্যিকৰ মৃত্যু অসমীয়া জাতিৰ বাবে এক অপূৰণীয় ক্ষতি। জাতীয় জীৱনৰ নক্ষত্ৰ হৈয়ো নিজৰ জন্মস্থানৰ প্ৰতি আছিল তেখেতৰ দুৰ্বাৰ আকৰ্ষণ। ঢকুৱাখনাৰ বিকাশৰ বাবে তেখেতে সকলোকে প্ৰেৰণা যোগাই গৈছিল। ১৯৬৩ চনৰ পৰা মৃত্যুৰ ক্ষণলৈ জাতীয় জীৱনলৈ তেখেতে যথেষ্ট বৰঙণি যোগাই গৈছে। তেখেতৰ জীৱনৰ বৌদ্ধিক চিন্তা-চৰ্চাৰ ফচল 'নীলাচল' কাকতৰ জৰিয়তে উন্মেষিত হৈছিল বুলি উল্লেখ কৰি তেওঁ কয় যে গোটেই জীৱনজুৰি তেওঁ আদৰ্শৰ পৰা বিচ্যুত হোৱা নাছিল। স্পষ্টবাদীতা আছিল তেওঁৰ অলংকাৰ। তাত্ত্বিক গ্ৰন্থৰ লগতে শিশু তথা সমাজ জীৱনক উদ্বুদ্ধ কৰিব পৰাকৈ অসংখ্যা গ্ৰন্থ তেখেতে ৰচনা কৰি গৈছে। তেখেতৰ জীৱন গাথা গ্ৰন্থৰ মাজেৰে লিপিবদ্ধ কৰি গৈছে বুলি উল্লেখ কৰি জাতীয় জীৱনৰ উত্তৰণৰ বাবে

জাতিটোক সাহস যোগাই গৈছিল। সোঁতৰ বিপৰীতে গৈও জাতীয় চেতনাক তেখেতে যিদৰে প্ৰাণৱন্ত কৰি গ'লসেই কথা জাতিটোৱে সদায়ে কৃতজ্ঞতাৰে স্মৰণ কৰিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

আজিৰ এই অনুষ্ঠানতে মুখ্যমন্ত্ৰীয়ে পানীখাইতিত যান-বাহন সুচলতৰ কৰাৰ বাবে এখন উৰণ সেতু নিৰ্মাণৰ পদক্ষেপ লোৱা হ'ব বুলিও কয়।

আজিৰ এই অনুষ্ঠানত বিধায়ক অতুল বৰাইও ভাষণ প্ৰদান কৰে। অনুষ্ঠানত জলসিঞ্চন, গৃহ নিৰ্মাণ আৰু নগৰ উন্নয়ন পৰিক্ৰমা বিভাগৰ মন্ত্ৰী অশোক সিংহল, জলসম্পদ বিভাগৰ মন্ত্ৰী পীযুষ হাজৰিকা, সাংসদ কুইন ওজা, বিধায়ক তথা মুখ্যমন্ত্ৰীৰ ৰাজনৈতিক সচিব জয়ন্ত মল্ল বৰুৱা, জি এম ডি এৰ অধ্যক্ষ নাৰায়ণ ডেকা আৰু হোমেন বৰগোহাঞিৰ পৰিয়ালবৰ্গ উপস্থিত থাকে।

**পুঃডেঃ**
**০৬-১২-২০২১**